NONOI COLLEGE
Estd.-1985
Date.........
Nonoi, PIN-782101 Nagaon(Assam)

# Field Visit
# on
# Traditional Ornaments Making Industry At Ranthali, Nagaon (Assam)

**A Field Report Submitted to the Department of Folklore, Nonoi College, Nonoi, Nagaon(Assam)**

**Submitted by**
**Name : Ganesh Borah**
**Reg. No : 19091912**
**Roll No : UA-191-306-0044**
**Semester : 5th Semester**
**Session : 2021-2022**

HEAD
Department of Folklore
Nonoi College

Principal, I/c
Nonoi College
Nagaon (Assam)

# আৰম্ভণি

ইংৰাজী 'Field' শব্দটোৰ প্ৰতিশব্দস্বৰূপে ক্ষেত্ৰ শব্দটো ব্যৱহাৰ কৰা হৈছে। ক্ষেত্ৰৰ অৰ্থ হৈছে ঘৰৰ পৰা গৱেষণাৰ বাবে প্ৰয়োজনীয় কেঁচা সমল সংগ্ৰহ কৰা হয়। যিকোনো ঠাঁই পৰিৱেশত গৈ সেই পৰিৱেশটোৰ ওপৰত অধ্যয়ন কৰি যি জ্ঞান অৰ্জন কৰা হয় আৰু সেই অৰ্জন কৰা জ্ঞানকেই ক্ষেত্ৰ অধ্যয়ন বোলে।

মানুহৰ জীৱনৰ পূৰ্ণতা লাভৰ কাৰণে বিভিন্ন ক্ষেত্ৰত পৰিদৰ্শন তথা অধ্যয়নৰ প্ৰয়োজন। শিক্ষা আহৰণৰ অন্যান্য আহিলাসমূহৰ ভিতৰত ক্ষেত্ৰ অধ্যয়ন তথা পৰিদৰ্শনে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। পুথিগত অধ্যয়নৰ লগতে আমাৰ ক্ষেত্ৰভিত্তিক তথ্য ব্যৱহাৰিক জ্ঞানৰো বিশেষ প্ৰয়োজনীয়তা আছে। পাঠ্যপুথিত থকা অধ্যয়নৰ বিশেষ বস্তুবোৰৰ বাস্তৱৰূপত অধ্যয়ন কৰিলে সফলতা অধিক ফলপ্ৰসূ হোৱালৈ লক্ষ্য ৰাখি মহাবিদ্যালয়ৰ পাঠ্যক্ৰমত ক্ষেত্ৰ অধ্যয়নৰ বিষয়টো বাধ্যতা-মূলক হিচাপে সন্নিৱিষ্ট কৰা হৈছে।

HEAD
Department of Folklore
Nonoi College

# প্ৰথম অধ্যায়

## ৰণথলী অঞ্চলটোৰ চমু বিৱৰণ

ৰজাভেটি, ৰণথলী, ৰণথলী আদৰ্শ গাঁও, দেওবৰ গাঁও, পাখি-মৰীয়া গাঁও, মৌ-মাটি, ওপৰ পাথৰী আৰু গেলা পাথৰী এলেকাকাৰ গাঁও সমূহক সামৰিয়েই বৰ পাথৰী দেওবৰ অঞ্চল অৱস্থিত বুলিব পাৰি। ৰজাভেটি গাঁও নামটোৱে আমাক সোঁৰবাই দিয়ে সুদূৰ অতীতত ইয়াত কোনো ৰজাৰ ৰাজধানী আছিল। এই গাঁৱৰ বুকুতে থকা শিলিখাবাৰী আৰু চুতীয়া পুখুৰীয়েও বুৰঞ্জীৰ ঐতিহ্য নিশ্চয় বহন কৰিছে। ৰজাভেটি গাঁৱৰ দক্ষিণ সীমাতে অৱস্থিত চৰকাৰৰ পাখিমৰীয়া উন্নয়ন খণ্ডৰ কাৰ্যালয় ১৯৯০ চনত স্থাপন কৰা হয়। এই গাঁৱৰ জনগণ সাহিত্য-সংস্কৃতিৰ প্ৰতি বিশেষভাৱে অনুৰক্ত আৰু সমাজহিতৈষী লোকৰ বাসস্থান। ৰজাভেটিৰ কাষতে লাগি থকা ৰণথলী গাঁৱে আমাক পুনৰ সোঁৰবাই যে অতীত কালত ইয়াত ৰজাৰ সৈন্যৰ লগত ভয়াময়া ৰণ হৈছিল। প্ৰবাদ অনুসৰি অতীতত হেনো এই স্থানতে ৰজাৰ সৈন্য-বাহিনীৰ লগত কামৰৰ বা মান-সৈন্য বা ব্ৰিটিছ সৈন্য আদিৰ সৈতে ভয়া-ময়া যুঁজ হৈছিল। আমাৰ অনুসন্ধান কালত

কোনো কোনো দুই এজন লোকে তেওঁলোকৰ ঘৰত এতিয়াও ৰজাদিনীয়া তৰোৱাল আদি সুন্দৰ সামগ্ৰী আছে বুলি জনায়।

ৰণথলী গাঁওৰ পশ্চিমে পথাৰৰ মাজলৈ কিছু বছৰৰ আগতে চৰকাৰৰ সহায়-সহযোগত নতুনকৈ পতা গাৱঁখনেই হ'ল আদৰ্শ গাঁও। মাননীয় শ্ৰীযুত শৰৎ চন্দ্ৰ সিংহ দাঙৰীয়া অসমৰ মুখ্যমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰাৰ সময়তে এই গাঁও স্থাপন কৰা হয়। ৰণথলী গাৱঁৰ সীমাৰ পৰা উত্তৰৰ ফালেৰে বাটৰ কাষে কাষে মিঠাইবালা চাৰি-আলিৰ কাষলৈ থকা ঘৰ বসতিপূৰ্ণ গাৱঁখনৰ নামেই হ'ল দেওবৰৰ গাঁও। অনুসন্ধান কালত জানিব পৰা মতে অতীতত হাবি জংঘলেৰে ভৰপূৰ এই গাৱঁত দেওভূতৰ প্ৰাদুৰ্ভাৱ আছিল বাবেই এই গাৱঁৰ নাম দেওবৰৰ গাঁও হ'ল।

HEAD
Department of Folklore
Nonoi College

গাঁও বাসি অতীত কালৰে পৰা শিক্ষানুষ্ঠান ৰাগী আৰু সমাজ প্ৰাণ আছিল। বৰ্তমান গাঁওখনৰ জনসংখ্যা হাজাৰৰো অধিক হ'ব। ৰণথলী দেওবৰৰ গাৱঁৰ উত্তৰ দিশৰ মিঠাইবালা চাৰিআলি বা দেওবৰৰ চাৰিআলিৰ সংলগ্ন গাঁওখনেই হ'ল পাথিমৰীয়া গাঁও। এই গাঁওবাসীয়ে তেওঁ-

লোকৰ উপৰি পুৰুষ পক্ষী চিকাৰত পাকৈত আছিল বুলি কয় আৰু সেয়ে গাঁওখনৰ নাম পাখিমৰীয়া গাঁও হ'ল। এই গাঁওখনৰ নামেৰেই মৌজাটোৰ নাম পাখিমৰীয়া মৌজা নামেৰে নামকৰণ হ'ল। দেওঁৰ চাৰিআলিৰ অঞ্চলবাসিৰ শৈক্ষিক, বৌদ্ধিক আৰু ব্যৱসায়ৰ কেন্দ্ৰস্থলত পৰিণত হৈছে। চাৰিআলিৰ কাষতে আছে সমগ্ৰ অঞ্চলটোৰ শিক্ষানুষ্ঠান বৰপথাৰী বাপুজী উচ্চতৰ মাধ্যমিক বিদ্যালয়। চাৰিআলিৰ লগতে আছে বাৰেমওআ শংকৰ মন্দিৰ, চাৰিআলিৰ লগতে অৰ্থাৎ পশ্চিমৰ চুকতে আছে শিৱ মন্দিৰ। শংকৰ মন্দিৰৰ চৌহদতে আছে বনথলী ডাকঘৰ। উত্তৰ কোণত আছে লখিমী গাঁৱলীয়া বেংক। তাৰোপৰি এই চাৰিআলি-টোত বহে এখনকৈ দৈনিক বজাৰ। সমগ্ৰ অসমৰ ভিতৰতে নগাঁও জিলা বনথলী অসমীয়া সোণাৰী শিল্প প্ৰতিষ্ঠানে স্বাৱলম্বী হৈ স্বাধীনভাৱে পাতসোণৰ অসমীয়া গহনা তৈয়াৰ কৰি জাতীয় কৃষ্টি ৰক্ষা কৰি আহিছে।

HEAD
Department of Folklore
Nonoi College

# দ্বিতীয় অধ্যায়

## ৰণথলী অঞ্চলত নিৰ্মিত আ-অলংকাৰ সমূহ

ৰণথলী অঞ্চলত প্ৰায় সকলো লোকে আ-অলংকাৰ নিৰ্মাণ কৰে। তেওঁলোকে নিৰ্মাণ কৰা অলংকাৰসমূহ নিৰ্মাণ কৰি তেওঁলোকে বহু পৰিমাণে উপকৃতও হৈছে। এই কামত স্কুল-প্ৰজন্মৰ পৰা আৰম্ভ কৰি বয়োজ্যেষ্ঠ লোকসকলো ব্ৰতী থকা দেখা যায়।

ৰণথলী অঞ্চলত নিৰ্মিত অসমীয়া আ-অলংকাৰসমূহৰ বিষয়ে তলত আলোচনা কৰা হ'ল —

ডিঙিৰ পৰা বুকুলৈ ওলমি থকা অলংকাৰ সমূহৰ ভিতৰত —

ঢোলবিৰি :- ঢোলৰ দৰে আকৃতিৰ বনোৱাৰ বাবে ইয়াক ঢোলবিৰি বোলা হয়। ঢোলবিৰিৰ আন এটা নাম হ'ল মতাবিৰি। ঢোলবিৰিসমূহত বাদ বাকীৰ মণিবোৰা বা জোঁটা পাৰ লগোৱাৰ উপৰিও ক'লা, ৰঙা, সেউজীয়া ৰঙৰ মিনা কৰা হয়। বিহুত নাচনি সকলে ঢোলবিৰি পিন্ধাটো অতিকৈ প্ৰয়োজন।

HEAD
Department of Folklore
Nanoi College

গলপতা :- ডিঙিত পিন্ধা এবিধ আপুৰুগীয়া সম্পদ। ডিঙিত লগাকৈ ৰং বিৰঙৰ বাখৰ পটোৱা চানে-

কিৰে তৈয়াৰ কৰা গলপতা পিন্ধা হয়। ইয়াক কিছু ঠাইত কন্ঠ শোভাও বোলে। গলপতা আগৰ দিনত পোৱাল মণিৰে গঁথা হৈছিল। বহুমূল্য গলমতা আৰু গুলিয়া গলমতা প্ৰাচীন কালত আছিল বৰ্তমান গলপতা দুবিধ বাখৰ পতোৱা আৰু এটি লটকন ওলমি থকাকৈ ৰাখি গলপতাৰ দীঘৰ দুয়োমূৰে আদেলৰ সূতা থাকে। এই সূতাপাল ৰঙা, নীলা সেউজীয়া আৰু বিভিন্ন ৰঙৰ থাকে। এই সূতাভাল কেচাঁ সোণ বা পাতি সোণেৰে তৈয়াৰ কৰা হয়।

ডুগডুগী :- ডুগডুগীখনৰ গঢ় পাণপতীয়া কলিজাখনৰ দৰে।

জোনবিৰি :- কাঁচি জোনটোৰ দৰে আকৃতিত বনোৱাৰ বাবে ইয়াক জোনবিৰি বোলে। জোনবিৰি সমূহত জোটা পাৰ লগোৱা থাকে আৰু কলা, ৰঙা সেউজীয়া ৰঙৰ মিনা কৰা হয়। বিহুত নাচনী সকলে বিহু নাচোঁতে জোনবিৰি পিন্ধা দেখা যায়।

HEAD
Department of Folklore
Nonoi College

কাণত পিন্ধা অলংকাৰসমূহ —

কাণফুলি :- কাণৰ লতিত ফুটা কৰি পিন্ধা অলংকাৰ। সোণ বা ৰূপ বা অন্য ধাতুৰেও কাণফুলি বনোৱা হয়। কানফুলিক আকৌ নামনি অসমৰ কিছু ঠাইত কানপাছা

খুলিও কোৱা হয়। ওলমি থকা কাণফুলিকে দুল বোলে।

খৰিয়া :- খৰিয়া কাণত পিন্ধা এবিধ অলংকাৰ। ইয়াৰ চানেকী এটা ফুলৰ গঢ়ৰ সন্মুখৰ ফুলটোৰ পিছফালে এজাল কলা থাকে। এই কলাজাল কাণৰ লতিত সুমুৱাই পিছ পিনে ক্ৰুৰে সকাই পিন্ধা হয়। খৰিয়া সোণ বা ৰূপেৰে নিৰ্মাণ কৰা হয়। আগৰ দিনৰ সকলো মহিলাই খৰিয়া পিন্ধা দেখা যায়। আৰু বৰ্তমানো নাচনিসকলে নাচোতে এই খৰিয়া পিন্ধে।

হাতত পিন্ধা বিভিন্ন আ-অলংকাৰসমূহ —

খাৰু :- খাৰু হাতত পিন্ধা অলংকাৰ। হাতৰ মুঠিৰ ওপৰত পিন্ধে খাৰু। সোণ, ৰূপ, তাম, কাংহ, হাতীৰ দাঁত কাঁচ আদি পদাৰ্থৰে বনোৱা খাৰু আদি অসমৰ জীয়ৰী বোৱাৰীয়ে পিন্ধে। খাৰু কেইবা প্ৰকাৰৰ আছে — মণি বা দেওখাৰু, গামখাৰু, মুঠিখাৰু আদি।

গামখাৰু :- গামখাৰু আৰু মিচিঙত গামে পিন্ধিছিলে। এতিয়া অসমৰ মহিলাই বিহু নাচোতে পিন্ধে। গামখাৰু ৰূপৰ ওপৰত সোণ দি বনোৱা হয়।

HEAD
Department of Folklore
Nonoi College

মুঠিখাৰু :- মুঠি মাৰি সুমুৱাই পিন্ধা হয়। কেইবাজাল চেপেটা বালা লগ লগাই সজা এবিধ খাৰু। মুঠি খাৰুত সোণ, হীৰাৰে বাখৰ খটোৱা হয়।

## তৃতীয় অধ্যায়

### অ- অলংকাৰ নিৰ্মাণ কৰিবলৈ ব্যৱহাৰ কৰা বিভিন্ন সঁজুলিসমূহ

সোণাৰী শালৰ যন্ত্ৰ- পাতিবোৰ সৰল আৰু সীমিত। সোণাৰী শালত যন্ত্ৰ পাতিবোৰ হ'ল এমন জুহাল। জুহালখন মজিয়াত বা বৰল পাত্ৰ এটাত পাতি লয়। কিছুমানৰ জুহাল নিগাজীভাৱে সজা হয়। কোনো কোনো জুহালত ভাতী এটা সংলগ্ন থাকে। কিছুমান শালত বাহ বা লোৰ ফু-চুঙাৰে ভাতীৰ কৰা হয়। ফু-চুঙাৰ নল ফুংকাৰী বাহিৰেও বেঁকা ফু চুঙা এডাল থাকে। সোণ, ৰূপ সৰু সৰু মাটিৰ পাত্ৰত গলোৱা হয়। গলোৱা সোণ, ৰূপ হাতোৰা থকা এটা দীঘল চানেকীয়া কাঠৰ ঘাটত ঢালি দিয়া হয়। তেনে কৰাৰ ফলত সোণ বা ৰূপৰ টুকুৰা হাতুৰীৰে পিটিবলৈ বা প্ৰয়োজনীয় জোখত কাটি উলিয়াবলৈ সহজ হয়। সোণ, ৰূপ থৈ হাতুৰীৰে কোবোৱা সুৰত তীখ লগোৱা সঁজুলিটোৰ নিয়াৰি বোলে। সোণাৰী শালত সৰু ডাঙৰ হাতুৰী কেইবাটাও থাকে। সৰু ডাঙৰ চেপেনাও (চিমটা, চিমটি কুমাই) থাকে। তদুপৰি বেটি আৰু চেনিও বাহিৰেও সোণাৰি শালত আৰু এবিধ প্ৰয়োজনীয় আহিলা হ'ল কেইবাটাও ছিদ্ৰ থকা এখন তীমাৰ ফালি। সোণ বা ৰূপৰ

HEAD
Department of Folklore
Nonoi College

গুনা বা নূপুৰ কৰিবলৈ হ'লে সোণৰ ছিদ্ৰৰ ওফালে আন
এটা ফুটুৰাই যদি আন ফালৰ পৰা টানি উলিয়াই হয়।
সোণ ৰূপ কোমল হয়। আৰু এটা আহিলা হ'ল ঘূৰণীয়া
গোটা এডোখৰ কাঁহ বা পিতল। তাত সৰু ডাঙৰ ঘূৰণীয়া
গাঁত কিছুমান থাকে। সৰু ঘোৰ খোৰা লটকন, নূপুৰ
আদি কৰিবলৈ হ'লে এই ঘাটিবোৰত সোণৰ বীজু এডোখৰ
থৈ হাতুৰীৰে কোবাই ভাঁজ দিয়ে। অসমীয়া সোণাৰীয়ে
কোনো অলংকাৰ গাঁঠে জাৰি নপৰে। ভাটিৰ ফালে
কিন্তু, সোণাৰিৰ বিধে বিধে গাঁঠ থাকে। গহনা ঘঁহা পিহা
কৰিবলৈ টেঙাপানী ব্যৱহাৰ কৰিব লাগে। সেইমতে অলংকাৰ
পৰিষ্কাৰ কৰিবলৈ নিশাদল ঘঁহা হয়। নিশাদল হ'ল নিমখ
আৰু এমনিয়ামৰ মিশ্ৰিত চূৰ্ণ।

সুৱগা :- সোণ ৰূপ সহজে গলাবলৈ সোণ ৰূপৰ লগত
সুৱগা ব্যৱহাৰ কৰা হয়। দেখিবলৈ বগা ৰং সৰু সৰু টুকুৰা
সুৱগা এটা পেকেটৰ মূল্য ১৫ টকা।

গেজ চাকি :- বৰ্তমান প্ৰায় বিলাক সোণাৰীয়ে জুখাৰ সলনি
গেজ চাকি ব্যৱহাৰ কৰে। ইয়াৰ সহজে জুখোৰা জুখোৰা
কৰিব পাৰি।

HEAD
Department of Folklore
Nonoi College

বাঘনল :- অলংকাৰত জোলাই দিবলৈ বাঘনল ব্যৱহাৰ

কৰা হয়। ই পিতলৰ দ্বাৰা নিৰ্মিত। দেখিবলৈ মিহি আৰু ৭(7) ইঞ্চি মান দীঘল।

নিয়াৰী :- নিয়াৰী সোণ পিতাবলৈ ব্যৱহাৰ কৰা হয়। নিয়াৰি হল কাঠৰ টুকুৰাৰ ওপৰত ~~লোহ~~ লোহাৰ লগোৱা থাকে।

জোটা পাথৰ :- অলংকাৰ সমূহত এই পাথৰ লগোৱা হয়। দেখিবলৈ ৰঙা ৰঙৰ হয়। বিভিন্ন ঢুলিত, জোনবিৰি, ঢোলবিৰি আদিত লগোৱা হয়।

নোকটি পালা :- নোকটি পালাখন কম্পিউটাৰৰ বৰ্তমান সোণাৰীসকলে ব্যৱহাৰ কৰা দেখা যায়। ইয়াত সোণ ৰূপ জোখা হয়।

ওপৰৰ সকলো বস্তু সোণাৰী কামত ব্যৱহাৰ কৰা হয়।

HEAD
Department of Folklore
Nonoi College

# চতুৰ্থ অধ্যায়

## অসমীয়া লোক-সংস্কৃতিৰ আ-অলংকাৰ অতীত বৰ্তমান, ভৱিষ্যতে ৰণখলা

সংস্কৃতিৰ পৰিসৰ ব্যাপক। এক বাক্যত ক'বলৈ হ'লে কোনো এক জনগোষ্ঠীৰ সামগ্ৰিক জীৱনধাৰাই সংস্কৃতি। ভাষা, ধৰ্ম, জ্ঞান বিশ্বাস, ৰীতি-নীতি, আচাৰ ব্যৱহাৰ সামাজিক চিন্তাধাৰা আৰু মূল্যবোধ, শিল্পকলা, সা-সঁজুলি ইত্যাদি বিবিধ উপাদানেৰে এটা সম্পূৰ্ণ সাংস্কৃতিক পৰিৱেশৰ মাজত প্ৰতিজন ব্যক্তি জন্মে আৰু ডাঙৰকৈ নিজে তৈয়াৰ কৰি লোৱা আঁচনি সদৃশ নিজ সংস্কৃতিৰ বিষয়ে শিক্ষা লাভ কৰে। সংস্কৃতিবিহীন মানৱ সমাজ কেতিয়াও সম্ভৱ নহয়।

নানা সভ্যতাৰ মিলনভূমি তথা বৈচিত্ৰ্যময় ৰাজ্য অসম ইয়াৰ সংস্কৃতিৰ উদ্ভৱ, বিকাশ আৰু অগ্ৰগতিত প্ৰাচীন কালৰে পৰা বাস কৰি অহা মঙ্গোলীয়, অষ্ট্ৰিক, দ্ৰাবিড় আৰু আৰ্য্য সংস্কৃতিৰ যুগ যুগ ধৰি চলি অহা সুদূৰপ্ৰসাৰী সমলৰ সমন্বয়ত গঢ়ি উঠা স্বৰ্ণ মণ্ডিত অসমীয়া সংস্কৃতিৰ ইতিহাস।

সোণ-ৰূপৰ শিল্প অসমৰ অন্য এটি বহুমূলীয়া প্ৰাচীন শিল্প। আ-অলংকাৰে দেহ সজোৱা প্ৰবৃত্তি অতি প্ৰাচীন কালৰে পৰাই চলি আহিছে। ভাস্কৰ বৰ্মাই হৰ্ষবৰ্দ্ধনলৈ পঠোৱা অলংকাৰ তালিকা পৰাই অসমীয়া সোণাৰীৰ সোণ

HEAD
Department of Folklore
Nonoi College

সোণ গলোৱা প্ৰণালী আৰু অলংকাৰ পাতি গঢ়াৰ কৌশলৰ বিষয়ে আভাস পোৱা যায়। গলপতা, জোনবিৰি, ঢোলবিৰি, গেজেৰা, ভূগভুজী, কেৰু, কৰীয়া লোকপাৰৰ কাণফুল, খাৰু, গামখাৰু আঙুঠি আদি অসমীয়া আ-অলংকাৰৰ ভুক্তস্বৰূপ লক্ষ্য কৰিবলগীয়া। ধাতুৰ আৱিষ্কাৰ হোৱাৰ আগতে অঘৰী অৱস্থা পুৰুষ-মহিলা সকলোৱে গছৰফুলপাত, লতা, শামুকৰ খোলা আদি পৰিধান কৰিছিল।

অলংকাৰ হৈছে প্ৰথমে মিছৰৰ পিৰামিডত সজ্জিত সম্ৰাৰবিলাকৰ দ্বাৰা আৱিষ্কৃত হৈছিল। মহেঞ্জোদাৰো হৰপ্পা আৰু অক্ষশিলাত আৱিষ্কৃত হোৱা অলংকাৰে ভাৰতীয় অলংকাৰৰ প্ৰাচীনত্বক বুজায়। অসমীয়া সাহিত্যত ভাস্কৰ্য্য আদিৰে দ্বাৰা অসমতো ইয়াৰ প্ৰচলন থকা দেখা যায়। কিছুমান আ-অলংকাৰ স্বাস্থ্যৰ কাৰণেও পৰিধান কৰা হৈছিল বুলি জানিবলৈ পোৱা যায়। গড়ৰ মঙহ অপৰ বিবিয়াত খোৱাই আঙুঠি পিন্ধিছিল বা ডিঙি আৰু কঁকালত আঁৰি লৈছিল। কালিকা পুৰাণত অপৰ অলংকাৰ ডিঙিৰ ওচৰত পৰিধান কৰাটো নিষেধ আছিল।

লোক সংস্কৃতিৰ তৰফৰ পৰা গৱেষণা পদ্ধতিৰ আ-অলংকাৰক মূল বিষয় বস্তু হিচাপে লৈ তাৰ বিষয়ে সবিশেষ জানিবৰ বাবে আমি নগাঁও জিলাৰ বৰপাথৰী জলাহ, উজিৰা কণখলা সোণাৰী গাঁৱত উপস্থিত হৈছিলো।

সেই গাঁৱত উপস্থিত হৈ দুই এঘৰত সোমাই কি পদ্ধতিৰে গহনা তৈয়াৰ কৰা হয় সেই বিষয়ে বুজ লৈ জানিব পাৰিলো।

ৰণথলী সোনাৰী গাঁৱৰ প্ৰত্যেকজন ব্যক্তিয়েই নিজা বাসগৃহৰ পৰা অলপমান একাষৰীয়াকৈ আ-অলংকাৰ নিৰ্মাণ কৰিবৰ বাবে এটি ঘৰ সাজি লয়। তাতেই অলংকাৰ বনোৱা সামগ্ৰীসমূহ ৰখা হয়। অলংকাৰ নিৰ্মাণ কৰোঁতে চাল-চিৰিকি এছিড, দুণা, তাঁৰ, মম আদি নাইবা সেহ আদি প্ৰয়োগ কৰা দেখিবলৈ পোৱা যায়। আ-অলংকাৰ নিৰ্মাণ কৰোঁতে ব্যৱহাৰ কৰা মূল্যবান ধাতুবিধ হ'ল সোণ-সোণ। যাৰ মূল্য এতোলা সোণ সাতত্ৰিশ হাজাৰ (৩৭:০০০) এই গহনা তৈয়াৰ কৰোঁতে ব্যৱহাৰ হোৱা সঁজুলি সমূহ হৈছে — মাৰু মাৰী (লোহাৰৰ), ভৰি, তাঁৰ কটা মিছিন বাঘনল (পিতলৰ) ইয়াৰ দ্বাৰা জ্বলাই মৰা হয়। নিয়াৰি (কাঠৰ ওপৰত লোহাৰ বাখি সোণ, অপ পিটা হয়।)

ৰণথলী সোণৰী গাঁৱৰ ৯৫০ ঘৰত কৈও অধিক লোকেই এই কাৰ্য্যৰ লগত জড়িত। ৰণথলী সোনাৰি গাঁৱৰ অলংকাৰ নিৰ্মাণ কাৰ্য্যত নিৰ্মাণত নৱ-প্ৰজন্মত জড়িত হৈ থকা দেখা গৈছে। ইয়াৰ পৰা আমি অনুমান কৰিব পাৰো যে এই অলংকাৰ নিৰ্মাণ কাৰ্য্য অতীতৰে পৰা চলি আহিছে, বৰ্তমানো চলি আছে আৰু ভৱিষ্যতেও এনেদৰে

চলি থাকিব। সময়ৰ সোঁতত অলংকাৰ বনোৱা পদ্ধতি কিছু বৈজ্ঞানিক পদ্ধতি প্ৰয়োগ কৰা দেখা পোৱা গৈছে।

বাস্তৱ ক্ষেত্ৰত এই বহুমূলীয়া অলংকাৰবোৰৰ অঞ্চলভেদে ব্যক্তিৰ সমৰ্থনৰ ওপৰত নিৰ্ভৰ কৰিছিল। অসমৰ ভিতৰত নগাঁও জিলাৰ বৰপাথৰী, কলাং, উজৰা নামৰ বৃহৎ অঞ্চলটোত অসমীয়া গহনাৰ প্ৰতি মানুহৰ আদৰ বেছি আছে। অঞ্চলৰ সৰহ সংখ্যক মানুহৰ ঘৰতে বহুমূলীয়া অসমীয়া গহনা, বালা, ঠেনঠেন, ঝিলিকা, শুঁটিয়া চিপাত মণি, মাদুলি, মটৰ মণি, গামখাৰু, দুগডুগী, জোনবিৰি গলপতা অৰ্বকলহী চাপকলি কাণপাচা মুচু থুৰীয়া গেজেৰা জেঠীনেজিয়া অপহীয়া আঙুঠি, কপালী, পাভেৰক (পাৰেল), লোকাচাৰ ইত্যাদি দেখিবলৈ পোৱা যায়।

জাতীয় বৈশিষ্ট্য কমি যোৱাত অৰ্থাৎ জাতীয় বৈশিষ্ট্যৰ প্ৰয়োজনৰ অনুভূতি কমি যোৱা অসমীয়া গহনা-বোৰ সংৰক্ষণ কৰি আহিছে। তাৰ চানেকীয়ে জাতীয়কৃষ্টি সংস্কৃতি আৰু বৈশিষ্ট্য ৰক্ষা কৰি নতুন ৰূপত গঢ় দিব পৰা হ'ল এটা ডাঙৰ সম্পদ হৈ গৈছেঁতেন যাদুঘৰত বা পুৰা-তত্ত্বৰ কালৰ পৰাও অসমীয়া সোণাৰীৰ আধুনিক যান্ত্ৰিক শিক্ষাতো অভাৱ। চৰকাৰৰ শিল্প আৰু পুৰাতত্ত্ব বিভাগে এইফালে মন দিলে অসমীয়া জাতীৰ মহৎ উপকাৰ হ'ব। সমগ্ৰ অসমৰ ভিতৰতে নগাঁও জিলা ৰণথলী অসমীয়া

সোণাৰী শিল্প অভিযানে স্বাৱলম্বী হৈ স্বাধীনভাৱে সাত-সোণৰ অসমীয়া গহনা তৈয়াৰ কৰি জাতীয় কৃষ্টি ৰক্ষা কৰি আহিছে। বৃহৎ অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অা-অলংকাৰৰ সাংস্কৃতিক অৱিহণা অসমীয়া জাতি জীয়াই থকালৈকে চিৰভাস্বৰ হৈ থাকিব। নগাঁও জিলাৰ ৰণথলী সোণাৰী গাঁৱৰ গৌৰৱান্বিত বিষয় এয়ে যে ৰণথলী অলংকাৰ শিল্প উদ্যোগৰ ভিতৰত "ডুগডুগী" শিল্প উদ্যোগে অসমীয়া সমাজত সমাদৰ লাভ কৰি বিশ্ববিখ্যাত হৈ পাৰিছে।

HEAD
Department of Folklore
Nonoi College

## সপ্তম অধ্যায়

## সামৰণি


নগাঁও জিলাৰ পৰা ৮.৬ কিলোমিটাৰ দক্ষিণে অৱস্থিত বৃহত্তৰ বনথলী অঞ্চল। বনথলী নগাঁও জিলাৰ সদৰে ৰাজহ চক্ৰৰ অন্তৰ্গত। এই গাঁওখনি বৃহত্তৰ অঞ্চলত ৰজাভেটিৰ কাষতে লাগি থকা বনথলী গাঁৱে আমাক পুনৰ সোঁৱৰাই যে অতীত কালত ইয়াত ৰজাৰ সৈন্যৰ লগত ভয়াৱহ ৰণ হৈছিল। প্ৰবাদ অনুসৰি অতীততে হেনো এই স্থানতে ৰজাৰ সৈন্যবাহিনীৰ লগতে কাষৰৰ বা মান সৈন্য-ব্ৰিটিছ সৈন্য আদিৰ সৈতে ভয়াৱহ যুঁজ হৈছিল আৰু তাৰফলতে বনথলী নাম উৎপত্তি হল। এই অঞ্চলটিয়ে কেইবাখনো গাঁৱৰ ভাতৃত্ব, বন্ধুত্ব আৰু সংস্কৃতিৰ একাত্মতাৰে বান্ধি ৰাখিছে। সাহিত্য, সংস্কৃতিৰ কেন্দ্ৰভূমি এই বনথলী অঞ্চলৰ ঐতিহাসিক ভাৱেও এটা নিজা স্বকীয়া পৰিচয় আছে। ইয়াৰ বাহিৰেও এই বনথলী অঞ্চলৰ লোকসকল অৰ্থনৈতিক, ৰাজনৈতিক আৰু শৈক্ষিক দিশৰ ক্ষেত্ৰত যথেষ্ট পৰিমাণে আগবঢ়া।

HEAD
Department of Folklore
Nonoi College

সমাজ পৰিবৰ্তনশীল। সময়ৰ লগে লগে নানা ধৰণৰ ৰীতি-নীতি, আচাৰ-অনুষ্ঠান সংস্কাৰ আদি লোপ পাইছে, যদিও তাৰে কিছুমান বৰ্তমান পৰ্যন্ত প্ৰচলিত হৈ থকা দেখা যায়। পুৰণি কালত মানুহবোৰে, অন্ধবিশ্বাস,

কু-সংস্কাৰ, লোকবিশ্বাস আদিত লিপ্ত আছিল কিন্তু আধুনিক যুগত যেতিয়া বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বৃদ্ধি হ'ল তেতিয়া এক নতুন বাতাৱৰণৰ সৃষ্টি হোৱা দেখা গ'ল।

HEAD
Department of Folklore
Nonoi College






HEAD
Department of Folklore
Nonoi College